# অসম আদিত্য

০ কাতি, ১৯৪৬ শক ■ বুধবাৰ, ৬ নৱেম্বৰ, ২০২৪ ■ Asom Aditya, Dibrugarh, Wednesday, November 6, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱা


## শু সাহিত্য

## আহ্বান

ঠি দিব লাগিব। প্ৰতিযোগিতাত
ৱলৈ বিচৰা লেখক-লেখিকা বা
কানো সীমা নাথাকিব। এখন উচ্চ
মণ্ডলীয়ে শ্ৰেষ্ঠ গ্ৰন্থখন বিবেচনা
মণ্ডলীৰ সিদ্ধান্তই চূড়ান্ত, সিদ্ধান্ত
।প্ৰতিযোগিতাৰ বাবে ডাঃ লোহিত
াপতি মৌকোঁহ, সুনীল গগৈ
কোঁহ, চৰাইদেউ, মৰাণহাট
ন নম্বৰ— ৭০৮৬৮২৩২৯০,
৫১, ৯৯৫৪৪১৫৮৫২,
৮, ৯৮৬৪৮৭০০৫৯ ঠিকনাত
শিশু-সাহিত্য বঁটা ২০২৪ৰ বাবে
ৰি গ্ৰন্থৰ দুটাকৈ কপি ২০২৪ৰ
ৰ ভিতৰত পঠাব লাগিব।

## কৰ্মচাৰী

## প্ৰস্তুতি

অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ
জলা সন্থাৰ তৰফৰ পৰা এখনি
কৰিবলৈও সিদ্ধান্ত গ্ৰহণ কৰে।

### 'অসমীয়া ভাষাৰ ধ্ৰুপদী মৰ্যাদা আৰু ইয়াৰ ভৱিষ্যৎ' শীৰ্ষক বক্তৃতানুষ্ঠান

# কানৈত ভাষা গৌৰৱ সপ্তাহ উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৫ নৱেম্বৰ ঃ** অসমীয়াভাষী মানুহখিনিয়ে নিজৰ ভাষাটোৰ প্ৰতি শ্ৰদ্ধা, স্নেহ আৰু দায়বদ্ধতা প্ৰদৰ্শন নকৰিলে কেৱল ধ্ৰুপদী ভাষাৰ স্বীকৃতিয়ে অসমীয়া ভাষাক জীয়াই ৰাখিব নোৱাৰে।— ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগ আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ উদ্যোগত ভাষা গৌৰৱ সপ্তাহৰ লগত সংগতি ৰাখি ৪ নৱেম্বৰত অনুষ্ঠিত এক বিশেষ বক্তৃতানুষ্ঠানত মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক তথা অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড০ মৃদুল শৰ্মাই এইদৰে কয়। 'অসমীয়া ভাষাৰ ধ্ৰুপদী মৰ্যাদা আৰু ইয়াৰ ভৱিষ্যৎ' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি ড০ শৰ্মাই কয়— অসমীয়া ভাষাৰ সুৰক্ষিত ভৱিষ্যৎ আৰু সমৃদ্ধিৰ বাবে সকলো মাধ্যমতে অসমীয়া ভাষাৰ ব্যৱহাৰকাৰীৰ সংখ্যা বৃদ্ধি কৰিব লাগিব। এই স্বীকৃতিৰ যোগেদি চৰকাৰীভাৱে ভাষাটোৰ প্ৰতি আগ বঢ়াব পৰা সুবিধাবোৰ ল'বলৈ, ভাষাটোৰ বিভিন্ন দিশ সম্পৰ্কত গৱেষণা কৰিবলৈ আৰু বিভিন্ন সাহিত্য সম্পদ 'ডিজিটেলাইজ' কৰাৰ ক্ষেত্ৰত আমাক এদল দায়বদ্ধ ভাষাকৰ্মীৰ প্ৰয়োজন হ'ব। নিজৰ ভাষাটোক শ্ৰদ্ধা আৰু সন্মান কৰিব লাগিব নহ'লে কেৱল চৰকাৰী স্বীকৃতিৰে ভাষা এটাৰ ধ্ৰুপদী মৰ্যাদা অক্ষুণ্ণ ৰাখিব




নোৱাৰিব। তেওঁ অসমীয়া ভাষাটোৰ প্ৰাচীনতাৰ প্ৰসংগত কানাই বৰশী বোৱা শিলালিপি, মাধৱ কন্দলিৰ ৰামায়ণ, ঊনবিংশ শতিকাৰ সাহিত্য, সাম্প্ৰতিক সাহিত্যলৈকে বিভিন্ন উদাহৰণেৰে অসমীয়া ভাষাৰ সমৃদ্ধিৰ ব্যাখ্যা দাঙি ধৰে। অধ্যাপিকা ড০ চয়নিকা গোস্বামীয়ে আঁত ধৰা বক্তৃতানুষ্ঠানটি উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। উদ্বোধনী ভাষণ প্ৰসংগত অধ্যক্ষ ড০ শইকীয়াই কয়— ভাষা এটা জীয়াই থাকিলেহে এটা জাতি জীয়াই থাকিব। এইপ্ৰসংগত তেওঁ দেশ-বিদেশত নিজা মাতৃভাষাক সৰ্বক্ষেত্ৰত কিদৰে প্ৰাধান্য প্ৰদান কৰি আগবাঢ়ি গৈছে তাৰ বিভিন্ন উদাহৰণ দাঙি ধৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ প্ৰিয়দেৱ গোস্বামী, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ দীপংকজ গগৈ, অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা শিখামণি কোচ দেউৰীকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শেষত শলাগ জ্ঞাপন কৰে অধ্যাপিকা ড০ চয়নিকা গোস্বামীয়ে।